# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নংঃ ১৬৩/২০২০

## <u>ক’ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে কৰিমগঞ্জ জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

### ক’ৰণা ভাইৰাছক লৈ সাম্প্ৰদায়িক মন্তব্য কৰা সকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ এপ্ৰিল ঃ** ক’ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৰাজি পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰিমগঞ্জ জিলা প্ৰশাসন আৰু অন্যান্য বিভাগৰ উচ্চপদস্থ বিষয়াৰ সৈতে আজি কৰিমগঞ্জ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত এক বৈঠকত মিলিত হয়।

বৈঠকত জিলা উপায়ুক্ত গৰাকীয়ে ক’ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক সবিশেষ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে বৈঠকত নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ মজুত ৰখাৰ বিষয়টোও বিতংভাৱে পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লক ডাউনৰ সময়ছোৱাত যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ কোনো নাটনি নহয় আৰু জনসাধাৰণে যাতে সামাজিক দূৰত্ব বজাই ৰাখি প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিব পাৰে সেই দিশত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই সময়ছোৱাত যাতে অবিৰত বিদ্যুৎ যোগান সুনিশ্চিত কৰিব পৰা যায় সেই দিশত চোকা দৃষ্টি ৰাখিবলৈও এপিডিচিএলৰ বিষয়ববীয়াক নিৰ্দেশ দিয়ে। চাহ বাগিচা, গ্ৰামাঞ্চলকে ধৰি সকলো প্ৰান্ততে সামাজিক দূৰত্ব বজাই ৰখা আৰু স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা সমূহ জনগণক অৱগত কৰিব পৰাকৈ জনসচেতনামূলক কাৰ্যসূচী অব্যাহত ৰখাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগৰে কাম-কাজ পৰ্যালোচনা কৰে।

বৈঠকত মীন আৰু আবকাৰী বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, বিধায়কসকল ক্ৰমে কৃষ্ণেন্দু পাল, আজিজ আহমেদ খান, কমলেন্দু দেব পুৰকায়স্থ, বিজয় মালাকাৰ, বিমল বৰা, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসমৰ ৩৩ খন জিলাত প্ৰতিটো বিভাগে লক ডাউনৰ সময়ছোৱাত জনসাধাৰণক সহায় কৰাৰ বাবে দিনে-নিশাই কাম কৰি আহিছে। এই বিভাগসমূহে জৰুৰীকালীন আৰু অত্যাৱশ্যকীয় সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাইছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কভিড-১৯ ৰ সংক্ৰমণ ৰোধৰ বাবে জনসাধাৰণক সজাগ কৰাৰ দিশত সাংবাদিকসকলে যথেষ্ট কষ্ট স্বীকাৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৰে ঐক্যবদ্ধভাৱে ক’ভিড-১৯ ৰ বিৰুদ্ধে দিয়া যুঁজখনত জয় লাভ কৰিবই লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ক’ৰণা ভাইৰাছে জাতি, ধৰ্ম, ভাষা ইত্যাদি বাচ-বিচাৰ কৰি সংক্ৰমিত নহয়। সমগ্ৰ মানৱ জাতিয়ে আজি এই ক’ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে ঐক্যবদ্ধভাৱে যুঁজ দি আহিছে। আমি অসমটো এই ভাইৰাছৰ বিৰুদ্ধে যুঁজ দি যাব লাগিব। এই মূহুৰ্তত যাতে কোনেও সাম্প্ৰদায়িক আৰু সংকীৰ্ণ দৃষ্টিভংগীৰে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কাম নকৰে তাৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। কোনোবাই যদি তেনে ধৰণৰ মন্তব্য কৰে তেনেহ'লে সেইসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সকীয়াই দিয়ে। কৰিমগঞ্জ জিলাৰ সাংসদ, বিধায়ক তথা প্ৰশাসনে ৰাইজক সকাহ দিয়াৰ বাবে দিনে-নিশাই কষ্ট কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলো ধৰণৰ কৰ্ম-কৰ্তাই ৰাইজৰ স্বাৰ্থত কাম কৰি আছে বুলিও কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে লক ডাউনৰ সময়ছোৱাত যাতে ৰাজ্যখনৰ কোনোৱে খাদ্য সংকট ভুগিব নালাগে তাৰ বাবে ৰেচন কাৰ্ড থকা সকলক বিনামূলীয়া চাউল প্ৰদান কৰাৰ উপৰি ৰেচন কাৰ্ড নথকা দুখীয়া পৰিয়ালকো আমি ৰ হাজাৰ টকাৰ এককালীন সাহায্য আগবঢ়াইছো।

মুখ্যমন্ত্ৰীয়ে কয় যে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে তৎপৰতাৰে কাম কৰি আছে। স্বাস্থ্য বিভাগে তৎপৰতাৰে ক'ৰণা ভাইৰাছৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি আহিছে। চিকিৎসক, নাৰ্চ, আশা-কৰ্মী, চাফাই কৰ্মী, লেবৰেটৰী টেকনিচিয়ান, ৱাৰ্ড বয় ইত্যাদি সকলোৱে সংঘবদ্ধভাৱে এই দিশত প্ৰয়াস চলাই আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**এচঃ এইচঃ হঃ / ঃপুঃডেঃ / বঃভাঃ**
**৮/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in